# 15th Meeting of the Working Mechanism for Consultation & Coordination on India-China Border Affairs

June 24, 2020

# ভাৰত-চীন সীমান্ত বিষয়সমূহৰ ওপৰত পৰামৰ্শ আৰু সমন্বয়ৰ কাৰণে কাৰ্যকৰী পদ্ধতিৰ 15তম বৈঠক

জুন 24, 2020

24 জুন 2020 তাৰিখে ভাৰত-চীন সীমান্ত বিষয়সমূহৰ (ডব্লিউ এম চি চি) ওপৰত পৰামৰ্শ আৰু সমন্বয়ৰ কাৰণে কাৰ্যকৰী পদ্ধতিৰ 15তম বৈঠক ভিডিঅ কনফাৰেন্সৰ জৰিয়তে অনুষ্ঠিত হয়। ভাৰতীয় প্ৰতিনিধিবৰ্গৰ নেতৃত্বত আছিল যুটীয়া সচিবে (পূব এচিয়া), আনহাতে চীনৰ হৈ প্ৰতিনিধিসকলক নেতৃত্ব দিছিল চীনৰ বৈদেশিক মন্ত্ৰণালয়ৰ সীমা আৰু মহাসাগৰীয় বিভাগৰ মহানিৰ্দেশকে।

2. দুয়ো পক্ষই ভাৰত-চীন সীমান্তৱৰ্তী অঞ্চল বিশেষকৈ পূব লাডাখৰ পৰিস্থিতি সন্দৰ্ভত বহলভাৱে আলোচনা কৰে। ভাৰতীয় পক্ষই 15 জুনত গলৱান উপত্যকাত ঘটা হিংসাত্মক ঘটনা সহ পূব লাডাখত সাম্প্ৰতিক পৰিঘটনা সন্দৰ্ভত ভাৰতীয় পক্ষই নিজৰ উদ্বেগ ব্যক্ত কৰে। এই সন্দৰ্ভত, দুয়োপক্ষই প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাক কঠোৰভাৱে সন্মান আৰু পৰ্যালোচনা কৰা উচিত।

3. দুয়ো পক্ষই যোৱা সপ্তাহত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰু ৰাজ্যিক কাউন্সিলাৰ আৰু বিদেশ মন্ত্ৰী মহামান্য ৱাং য়িৰ মাজত হোৱা বাৰ্তালাপৰ কথা স্মৰণ কৰাৰ লগতে উভয় পক্ষই 6 জুন 2020 তাৰিখে দুয়োখন দেশৰ জ্যেষ্ঠ কামাণ্ডাৰৰ মাজত সীমান্ত এলেকাত শান্তিপূৰ্ণ অৱস্থাৰ পুনৰ বাহাল ৰখাৰ কাৰণে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা(এল এ চি)ৰ পৰা সৈনিকসকলক সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰাটো সুনিশ্চিত কৰিব। দুয়োগৰাকী প্ৰতিনিধিয়ে সন্মত হয় যে দ্বিপাক্ষিক চুক্তি আৰু প্ৰটকল অনুসৰি এই বুজাবুজিক তাতক্ষণিকভাৱে ৰূপায়ন কৰা হব, ইয়াৰ ফলত সীমান্ত অঞ্চলত শান্তি আৰু সমৃদ্ধি আৰু দুয়োখন দেশৰ মাজত বিস্তৃত সম্পৰ্কৰ বিকাশ নিশ্চিত কৰাত সহায়ক হব। প্ৰসংগক্ৰমে তেওঁলোকে 22 জুন তাৰিখে অনুষ্ঠিত হবলগীয়া জ্যেষ্ঠ কামাণ্ডৰৰ দ্বিতীয়খন বৈঠকৰ সন্দৰ্ভতো আলোচনা কৰে।

4. দুয়ো পক্ষই ডব্লিউ এম চি চি ৰ পৰিকাঠামোৰ অধীনত পৰিস্থিতিৰ শান্তিপূৰ্ণ সমাধান সুনিশ্চিত কৰাৰ কাৰণে কূটনৈতিক আৰু সামৰিক উভয় স্তৰত চলি থকা যোগাযোগ বজাই ৰখাৰ ক্ষেত্ৰত সন্মতি ব্যক্ত কৰে।

**নতুন দিল্লী**
**জুন 24, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.